অধ্যায় ৭ ঃ বজাৰ ঃ অপূর্ণ প্রতিযোগিতা-I

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ একচেটিয়া বজাৰৰ অর্থ

৭.৪ একচেটিয়া বজাৰৰ বৈশিষ্ট্য

৭.৫ একচেটিয়া বজাৰ আয়ৰেখাসমূহ

৭.৬ দৰ আৰু উৎপাদনৰ পৰিমাণ নির্ধাৰণ

৭.৬.১ হ্রস্বকালীন ভাৰসাম্য

৭.৬.২ দীর্ঘকালীন ভাৰসাম্য

৭.৭ দৰ বিভেদকৰণ

৭.৭.১ দৰ বিভেদকৰণৰ স্তৰ

৭.৭.২ দৰ বিভেদকৰণৰ চর্ত

৭.৭.৩ দৰ বিভেদকৰণৰ দ্বাৰা প্রতিষ্ঠানৰ ভাৰসাম্য

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্রগতিৰ খতিয়ান

৭.১১ আর্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কমসংখ্যক বিক্রেতাৰ বজাৰ এখন কেনেকুৱা হ'ব জানিব পাৰিব।
- প্রকৃত বজাৰ এখনৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।
- এজন মাত্র বিক্রীকর্তাৰ বজাৰত কেনেকৈ সামগ্রীৰ দৰ আৰু উৎপাদনৰ পৰিমাণ নির্ধাৰণ কৰা হয় সেই বিষয়ে জানিব পাৰিব।
- দৰ বিভেদকৰণ কেনেকৈ সম্ভৱ হয় সেই বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

কোনো এখন বজাৰত যেতিয়া প্রতিযোগিতা থাকে, তেতিয়া বজাৰখনক প্রতিযোগিতামূলক বজাৰ বুলি কোৱা হয়। এখন প্রতিযোগিতামূলক বজাৰ অসংখ্য ক্রেতা আৰু বিক্রেতা থাকে। এই প্রতিযোগিতামূলক বজাৰ হয় পূর্ণ প্রতিযোগিতামূলক নহয় অপূর্ণ

প্রতিযোগিতামূলক বজাৰ। অপূর্ণ প্রতিযোগিতামূলক বজাৰ হ'ল সেইখন বজাৰ য'ত পূর্ণ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ দেখা পোৱা নাযায়। অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ সাধাৰণ উদাহৰণবোৰ হ'ল— একচেটিয়া বজাৰ, একাধিকাৰ বজাৰ, স্বল্প বিক্রেতাৰ বজাৰ ইত্যাদি।

৭.৩ একচেটিয়া বজাৰৰ অর্থ

যিখন বজাত এটা সামগ্রীৰ এজনেই বিক্রেতা আছে আৰু সামগ্রীটোৰ কোনো নিকটৱর্তী বিকল্প সামগ্রী নাই আৰু বজাৰখনত আন বিক্রেতা প্রৱেশ কৰাটো কঠিন বা অসম্ভৱ, সেই বজাৰখনকে একচেটিয়া বজাৰ বুলি কোৱা হয়। এই বজাৰ এটা উদাহৰণ হ'ল ভাৰতীয় ৰে'ল। কেতবোৰ একচেটিয়া বজাৰ চৰকাৰৰ দ্বাৰা গঠিত, কেতবোৰ প্রাকৃতিক আৰু কেতবোৰ ব্যক্তিগত অথবা ৰাজহুৱা।

ছেলভেট'ৰ শব্দত—

'একচেটিয়া বজাৰ হ'ল সেইখন বজাৰ য'ত কেবল এজন বিক্রেতাই এটা সামগ্রী বিক্রী কৰে যাৰ নিকটৱর্তী বিকল্প সামগ্রী নাই।'

৭.৪ একচেটীয়া বজাৰ বৈশিষ্ট্য

ক) এজন বিক্রেতা

এইখন বজাৰত মাত্র এজন বিক্রেতা বা প্রতিষ্ঠান বা ব্যক্তি থাকে যাৰ সামগ্রীৰ উৎপাদনৰ ওপৰত সম্পূর্ণ নিয়ন্ত্রণ থাকে।

খ) বিকল্প সামগ্রীহীন

সামগ্রীটোৰ প্রতিটো গোট সমজাতীয় আৰু ইয়াৰ কোনো নিকটৱর্তী বিকল্প নাথাকে।

গ) নতুন প্রতিষ্ঠানৰ প্রৱেশ নিষেধ

একচেটিয়া বজাৰ এখন একচেটিয়া হৈ থাকিবলৈ হ'লে নতুন প্রতিষ্ঠানৰ প্রবেশ অসম্ভৱ হ'ব লাগিব। যদি নতুন প্রতিষ্ঠান প্রবেশ কৰে তেতিয়া পুৰণি প্রতিষ্ঠানৰ হাতত যোগানৰ সম্পূর্ণ নিয়ন্ত্রণ নাথাকিব। অর্থাৎ, নতুন প্রতিষ্ঠানৰ প্রবেশৰ লগে লগে একচেটিয়া অৱস্থাৰ অৱসান হ'ব। সেই কাৰণে বজাৰ মানে কেবল এটা প্রতিষ্ঠান বা উদ্যোগ। প্রতিষ্ঠান আৰু উদ্যোগৰ মাজত কোনো পার্থক্য নাথাকে।

ঘ) দীর্ঘকালত মুনাফা

একচেটিয়া ব্যৱসায়ীয়ে দীর্ঘকালতো লাভ অর্জন কৰিবলৈ সক্ষম হয় যিহেতু এই ব্যৱসায়ী কোনোধৰণৰ প্রতিযোগিতাৰ সন্মুখীন নহয়।

ঙ) হ্রস্বকালত লোকচান

সাধাৰণতে ভবা হয় যে একচেটিয়া ব্যৱসায়ী এজনে কেতিয়াও লোকচানৰ সন্মুখীন নহয় যিহেতু ব্যৱসায়ীজনে যিকোনো দৰ নির্ধাৰণ কৰিব পাৰে। কিন্তু এই ধাৰণাটো সঁচা নহয়। একচেটিয়া ব্যৱসায়ী এজনে হ্রস্বকালত লোকচানৰ সন্মুখীন হ'ব পাৰে।

চ) চাহিদা ৰেখাৰ প্ৰকৃতি

একচেটিয়া বজাৰত সামগ্ৰীৰ চাহিদা সম্পূৰ্ণ স্থিতিস্থাপকতাতকৈ কম হয় কাৰণে চাহিদা ৰেখাডাল হেলনীয়া। যোগানৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ থকা কাৰণেই এই বজাৰত চাহিদা ৰেখাডাল সোঁফাললৈ হেলনীয়া। যোগানৰ পৰিবৰ্তনে সামগ্ৰীৰ দৰৰ ওপৰত প্ৰভাৱ পেলায় আৰু এই প্ৰভাৱে সামগ্ৰীৰ চাহিদা বিপৰীত দিশলৈ লৈ যায়। অন্য অৰ্থত, যদি একচেটিয়া ব্যৱসায়ীজনে সামগ্ৰীৰ দৰ বৃদ্ধি কৰে, তেতিয়া বিক্ৰীৰ পৰিমাণ হ্ৰাস পাব। সেই কাৰণে এই বজাৰত চাহিদা ৰেখাডাল তলফাললৈ হেলনীয়া। অৰ্থাৎ এই বজাৰত AR আৰু MR দুয়োডাল ৰেখাই তলফাললৈ হেলনীয়া।

ছ) দৰ বিভেদকৰণ

অধিক লাভৰ কাৰণে একচেটিয়া ব্যৱসায়ী এজনে তেওঁ উৎপাদন কৰা সামগ্ৰীৰ বিভিন্নজন ক্ৰেতাৰ পৰা বেলেগ বেলেগ দৰ সংগ্ৰহ কৰিব পাৰে। এই প্ৰক্ৰিয়াটোকে দৰ বিভেদকৰণ বোলে।

জ) সামগ্ৰীৰ দৰ নিৰ্ধাৰণকাৰী

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠান এখন সামগ্ৰীৰ দৰ গ্ৰহণকাৰী। আনহাতে একেচিটীয়া বজাৰত প্ৰতিষ্ঠানটো হ'ল দৰ নিৰ্ধাৰণকাৰী। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত এখন প্ৰতিষ্ঠান বজাৰখনৰ তুলনাত অতি ক্ষুদ্ৰ, সেই কাৰণে বজাৰ দৰ নিৰ্ধাৰণৰ ক্ষমতা নাথাকে। কিন্তু একচেটিয়া বজাৰত প্ৰতিষ্ঠানখনেই একমাত্ৰ উৎপাদনকাৰী কাৰণে ইয়াৰ দৰ নিৰ্ধাৰণৰ ক্ষমতা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সত্য-অসত্য লিখা—

(ক) একচেটিয়া বজাৰত মাত্ৰ এজন বিক্ৰী কৰা আৰু বহুত ক্ৰেতা থাকে।

(খ) একচেটিয়া ব্যৱসায়ী এজনে দীৰ্ঘকালতো মুনাফা লাভ কৰে।

(গ) অধিক মুনাফা লাভৰ কাৰণে একচেটিয়া ব্যৱসায়ী এজনে একেটা সামগ্ৰীৰ বাবে বিভিন্ন গ্ৰাহকৰ পৰা বিভিন্ন দাম বিচাৰিব নোৱাৰে।


(ঘ) এই বজাৰত AR আৰু MR দুয়োডাল ৰেখাই সোঁফাললৈ হেলনীয়া।

৭.৫ একচেটিয়া বজাৰৰ TR, AR আৰু MR ৰেখা

একচেটিয়া বজাৰত কেৱল এজন বিক্ৰেতা আৰু বহুত ক্ৰেতা থাকে। সেই কাৰণে ইয়াৰ নিকট বিকল্প সামগ্ৰী নাথাকে। সামগ্ৰী দৰ উৎপাদনকাৰীয়ে নিৰ্ধাৰণ কৰে। কিন্তু সামগ্ৰীৰ বিক্ৰীৰ পৰিমাণ বৃদ্ধি কৰিবলৈ একচেটিয়া ব্যৱসায়ীজনে সামগ্ৰীৰ দৰ হ্ৰাস কৰিব লগা হয়। এই ধাৰণাৰ দ্বাৰা আমি তলত TR, AR আৰু MR ৰেখা অংকন কৰিম—

বিক্রীৰ পৰিমাণ (Q)	সামগ্রীৰ দৰ (P)	TR = P x Q	AR= TR / Q	MR = ΔATR / AQ
1	10	10	10	10
2	9	18	9	8
3	8	24	8	6
4	7	28	7	4
5	6	30	6	2
6	5	30	5	0

তালিকাত উল্লেখ কৰা মতে, সামগ্রীৰ বিক্রীৰ পৰিমাণ 1 এককৰ পৰা 6 এককলৈ বৃদ্ধি হৈছে। এটা অতিৰিক্ত একক বিক্রী কৰিবলৈ সামগ্রীৰ দৰ 10 টকাৰ পৰা 9 টকালৈ হ্রাস পাইছে। ঠিক সেইদৰে 3 টা গোট বিক্রী কৰিবলৈ হ'লে সামগ্রীৰ দৰ 8 টকালৈ হ্রাস পাইছে। AR ক্রমান্বয়ে হ্রাস পাইছে আৰু MR-য়ো কমি আহিছে। সেই কাৰণে, সামগ্রীৰ বিক্রীৰ পৰিমাণ বৃদ্ধিৰ লগে লগে AR আৰু MR হ্রাস পাইছে। অর্থাৎ AR আৰু MR বাওঁফালৰ পৰা সোঁফাললৈ হেলনীয়া হ'ব আৰু MR ৰেখা AR ৰেখাৰ তলত থাকিব।



চিত্র 7.1

৭.৬ একচেটিয়া বজাৰ ভাৰসাম্য দৰ আৰু উৎপাদনৰ পৰিমাণ নির্ধাৰণ

পূর্ণ প্রতিযোগিতামূলক বজাৰত প্রতিখন প্রতিষ্ঠানেই দৰ গ্রহণকাৰী হোৱা কাৰণে এই প্রতিষ্ঠানবোৰে কেবল ভাৰসাম্য উৎপাদনহে নির্ধাৰণ কৰে। কিন্তু একেচেটিয়া বজাৰত এইয়া

প্রযোজ্য নহয়। একচেটিয়া প্রতিষ্ঠানটোৱে কেবল ভাৰসাম্য উৎপাদনেই নির্ধাৰণ নকৰে, ই ভাৰসাম্য দামো নির্ধাৰণ কৰে।

যিহেতু তেওঁৰ চাহিদা ৰেখাডাল তলফাললৈ হেলনীয়া, তেওঁ যদি সামগ্রীৰ দাম বৃদ্ধি কৰে তেন্তে বিক্রী কমি যাব আৰু যদিহে তেওঁ বিক্রী বৃদ্ধি কৰিব খোজে তেন্তে কম মূল্য নির্ধাৰণ কৰিব লাগিব। তেওঁ এনে এক পৰিমাণৰ সামগ্রী উৎপাদন কৰিব য'ত মুনাফা আটাইতকৈ বেছি হ'ব অর্থাৎ তেওঁ ভাৰসাম্য উৎপাদন অৱস্থা পাবৰ বাবে চেষ্টা কৰিব। কেনেদৰে তেওঁ ভাৰসাম্য উৎপাদন অৱস্থাত উপনীত হ'ব সেয়া তলত আলোচনা কৰা হ'ল—


৭.৬.১ হ্রস্বকালীন ভাৰসাম্য

ভাৰসাম্য লাভৰ চর্ত

পূণ প্রতিযোগিতামূলক বজাৰৰ দৰে একচেটিয়া বজাৰতো লাভৰ পৰিমাণ সর্বোচ্চ হ'ব, যেতিয়া তলৰ চর্ত দুটা পূর্ণ হ'ব—

(a) প্রান্তিক আয় (MR) = প্রান্তিক ব্যয় (MC)

(b) প্রান্তিক ব্যয় ৰেখাই প্রান্তিক আয় ৰেখাক তলৰ পৰা ছেদ কৰে।




চিত্র 7.2

ওপৰৰ চিত্রত হ্রস্বকালীন প্রান্তিক ব্যয় ৰেখা (MC) ই প্রান্তিক আয় ৰেখা (MR)ক E বিন্দুত কাটিছে। গতিকে E বিন্দুটো হ'ল ভাৰসাম্য বিন্দু। এই ভাৰসাম্য অৱস্থাত সামগ্রীটোৰ ভাৰসাম্য দাম হ'ব OP আৰু ভাৰসাম্য উৎপাদন হ'ব OQ। এই অৱস্থাত সামগ্রীৰ দাম OP আৰু গড় ব্যয়ৰ পৰিমাণ QS অথবা OT। গতিকে প্রতি এককত লাভৰ পৰিমাণ হ'ব SR আৰু মুঠ লাভৰ পৰিমাণ হ'ব TPRS।

একচেটিয়া ব্যৱসায়ী আৰু লোকচান

একচেটিয়া ব্যৱসায়ীৰ হ্রস্বকালত লোকচানো হ'ব পাৰে। এই ব্যৱসায়ী লাভ পাব নে লোকচানৰ সন্মুখীন হ'ব সেইয়া নির্ভৰ কৰে ইয়াৰ সামগ্রী চাহিদা আৰু খৰছৰ ওপৰত। যদি সামগ্রীৰ চাহিদা কম হয় আৰু খৰছৰ পৰিমাণ এনেকুৱা যে AC >AR, যেতিয়া তেওঁ লাভ নহয় লোকচানৰহে সন্মুখীন হ'ব।



চিত্র 7.3


ওপৰৰ চিত্রত, MC ৰেখাই MR ৰেখাক E বিন্দুত কাটিছে। গতিকে E বিন্দু হ'ল ভাৰসাম্য বিন্দু। OP হ'ল ভাৰসাম্য দাম আৰু OQ হ'ল ভাৰসাম্য উৎপাদন। কিন্তু ভাৰসাম্য অৱস্থাত গড় ব্যয় (AC)ৰ পৰিমাণ হ'ল QS বা OT, যি গড় আয়ত (AR) কৈ বেছি। গতিকে ব্যৱসায়ীজনৰ এককে প্রতি RS বা PT পৰিমাণৰ লোকচান হৈছে। এই লোকচান স্বত্বেও তেওঁ উৎপাদন কার্য চলাই নিব পাৰিব কাৰণ তেওঁ এককে প্রতি লাভ কৰা দাম QR গড় পৰিৱর্তনশীল ব্যয়তকৈ (QK) বেছি। অর্থাৎ তেওঁ পৰিৱর্তনশীল ব্যয়খিনি পাবলৈ সক্ষম হৈছে আৰু লগতে স্থিৰ ব্যয়ৰো কিছু অংশ পাবলৈ সক্ষম হৈছে। যদি সামগ্রীৰ দৰ আকৌ কমে আৰু QK বা OL তকৈ কম হয় তেতিয়া তেওঁ উৎপাদন কার্য বন্ধ কৰিব।

৭.৬.২ দীর্ঘকালীন ভাৰসাম্য

দীর্ঘকাল সময় যথেষ্ট দীঘলীয়া যে এই সময়ে একচেটিয়া ব্যৱসায়ীক ইয়াৰ যন্ত্রপাতি বা অন্যান্য সমূহ সলনি কৰিবলৈ যথেষ্ট সময় প্রদান কৰে। প্রতিযোগিতাহীন

বজাৰত একচেটিয়া ব্যৱসায়ীয়ে ইয়াৰ কাম্য অৱস্থাত উৎপাদন নকৰিলেও হয়। ই এই কাম্য অৱস্থাতকৈ কম উৎপাদন কৰিব পাৰে। অৰ্থাৎ এই ব্যৱসায়ীয়ে দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ (LAC) সৰ্বনিম্ন বিন্দুত উৎপাদন নকৰে। তেওঁৰ য'ত লাভ সৰ্বোচ্চ হয় সেই পৰিমাণেই উৎপাদন কৰিব।

ঠিক সেইদৰে, একচেটিয়া বজাৰত দীৰ্ঘকালত প্ৰতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন নহয়। যিহেতু দীৰ্ঘকালত নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশ নহয় সেয়ে প্ৰতিষ্ঠানটোৱে অস্বাভাৱিক লাভ অৰ্জন কৰিবলৈ সক্ষম হ'ব।



চিত্ৰ 7.4



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰা—

a) একচেটিয়া বজাৰত এটা প্ৰতিষ্ঠানৰ ভাৰসাম্য লাভৰ চৰ্ত দুটা হ'ল—

(i) MC = ...

(ii) MC ৰেখাই ..... ৰেখাক তলৰ পৰা ছেদ কৰে।

b) একচেটিয়া ব্যৱসায়ী ..... কালত লোকচানৰ সন্মুখীন নহয়।

৭.৭ দৰ বিভেদকৰণ

যি প্ৰক্ৰিয়াৰ দ্বাৰা একচেটিয়া ব্যৱসায়ীয়ে একেটা সামগ্ৰী বা সেৱাৰ বাবে বিভিন্ন গ্ৰাহকৰ পৰা বিভিন্ন দাম বিচাৰে তাকে দৰ বিভেদকৰণ বোলে। তেওঁ এই কাৰ্য তেতিয়াহে

সম্পাদন কৰে যেতিয়া তেওঁ অধিক মুনাফা অর্জন কৰে। কিন্তু ই এটা সাধাৰণ ঘটনা নহয়। বিভিন্ন গ্রাহকৰ পৰা বিভিন্ন দাম সংগ্রহ কৰাটো যথেষ্ট কঠিন।

মিছেছ জন ৰ'বিনছনৰ শব্দ, 'যি কার্যৰে একেটা সামগ্রী, যি একেজন নিয়ন্ত্রণৰ অধিনত উৎপাদিত, বিভিন্ন গ্রাহকক বিভিন্ন দামক বিক্রী কৰে তাকে দৰ বিভেদকৰণ বুলি জনা যায়।'

দৰ বিভেদকৰণ তিনিধৰণৰ—

(ক) ব্যক্তিগত ঃ ব্যক্তিগত দৰ বিভেদকৰণ হ'ব যেতিয়া একেটা সামগ্রী বিভিন্নজন গ্রাহকক বিভিন্ন দামত বিক্রী কৰা হ'ব।

(খ) স্থানীয় ঃ স্থানীয় দৰ বিভেদ কৰা হ'ব যেতিয়া সামগ্রীবিধ বিভিন্ন ঠাইত বিভিন্ন দামত বিক্রী কৰা হ'ব।

(গ) ব্যৱহাৰ ঃ এই ক্ষেত্রত সামগ্রীৰ ব্যৱহাৰৰ ওপৰত নির্ভৰ কৰি বিভিন্ন দাম নির্ধাৰিত হয়।

৭.৭.১ দৰ বিভেদকৰণৰ স্তৰ

ক) দৰ বিভেদকৰণৰ প্রথম স্তৰ

এই স্তৰত একচেটিয়া ব্যৱসায়ীজনে গ্রাহকজনৰ পৰা সামগ্রীটোৰ প্রতিটো গোটৰ বাবে তেওঁ দিব পৰা দামটো নির্ধাৰণ কৰে। যেনে— ডাক্তৰ এজনে বা আইনজীৱি এজনে সংগ্রহ কৰা ধন।

খ) দৰ বিভেদকৰণৰ দ্বিতীয় স্তৰ

এই স্তৰত একেটা সামগ্রীৰ নির্দিষ্ট পৰিমাণৰ বাবে এটা দৰ আৰু আন এটা পৰিমাণৰ পৰিসৰৰ কাৰণে আন এটা দাম নির্ধাৰণ কৰা হয়। অর্থাৎ সামগ্রীৰ বিভিন্ন পৰিমাণৰ পৰিসৰৰ বাবে বিভিন্ন দৰ সংগ্রহ কৰা হয়। উদাহৰণ ঃ বিদ্যুৎ পৰিষদে সংগ্রহ কৰা মাচুল।

গ) দৰ বিভেদকৰণৰ তৃতীয় স্তৰ

এই স্তৰত গ্রাহকসকলক বিভিন্ন বজাৰত ভাগ কৰি প্রতিখন বজাৰৰ বাবে বেলেগ বেলেগ দাম নির্ধাৰণ কৰা হয়। যেনে— স্থানীয় বজাৰ আৰু আর্ন্তজাতিক বজাৰ।

৭.৭.২ দৰ বিভেদকৰণৰ চর্তসমূহ

দৰ বিভেদকৰণ তলৰ চর্তসমূহৰ ওপৰত নির্ভৰশীল।

(ক) যেতিয়া গ্রাহকসকলৰ সামগ্রীটোৰ প্রতি বিশেষ আকর্ষণ বা অন্ধবিশ্বাস থাকে। কিছুমান গ্রাহক যুক্তিবাদী নহয়। তেওঁলোকে ভাৱে যে যেতিয়া সামগ্রীৰ দৰ অধিক হয়, তেতিয়া ইয়াৰ গুণগত মান সর্বাধিক হয়, কিন্তু দৰাচলতে সামগ্রীবিধ একে গুণৰ হ'বও পাৰে। কেতিয়াবা সামগ্রীৰ দামৰ ব্যৱধান ইমান কম হয় যে

এই পাৰ্থক্য গ্ৰাহকৰ বাবে নগণ্য বা নজৰ দিব লগা কথা নহয়।


(খ) কেতিয়াবা সামগ্ৰীৰ প্ৰকৃতিয়েই এনেকুৱা হয় যে একচেটিয়া ব্যৱসায়ীৰ বাবে বিভিন্ন দাম নিৰ্ধাৰণ কৰিবলৈ উজু হয়। বিশেষকৈ যেতিয়া ই পোনপটীয়া সেৱা হয়।

(গ) যেতিয়া গ্ৰাহকসকল দূৰত্বৰ দ্বাৰা বা কৰ-কাটলৰ দ্বাৰা পৃথক হয়।

(ঘ) যেতিয়া চাহিদাৰ স্থিতিস্থাপকতা প্ৰতিখন বজাৰত বেলেগ হয়। বজাৰসমূহ বিভিন্ন উপকাৰত ভাগ কৰা হয় আৰু স্থিতিস্থাপকতা অনুসৰি ঊৰ্দ্ধমুখী ক্ৰমত সজোৱা হয়। বজাৰৰ চাহিদাৰ স্থিতিস্থাপকতা যিমান কম হয় সিমানে সামগ্ৰীৰ দাম বেছিকৈ নিৰ্ধাৰণ কৰা হয় আৰু চাহিদাৰ স্থিতিস্থাপকতা যিমানে বেছি হয় দাম সিমান কমকৈ নিৰ্ধাৰণ কৰা হয়।

৭.৭.৩ দৰ বিভেদকৰণ আৰু ভাৰসাম্য দৰ

একচেটিয়া ব্যৱসায়ীজনে মুঠ বজাৰখন কেইখনমান সৰু সৰু বজাৰত ভাগ কৰে। তলৰ চিত্ৰত, এই ব্যৱসায়ীজনে বজাৰখন দুটা ভাগত ভাগ কৰিছে বজাৰ —A আৰু বজাৰ —B.



চিত্ৰ 7.5

একচেটিয়া ব্যৱসায়ীজনে এতিয়া সিদ্ধান্ত ল'ব লাগে যে কিমান পৰিমাণ তেওঁ উৎপাদন কৰিব আৰু কোনখন বজাৰত কিমান দৰ নিৰ্ধাৰণ কৰিব। তেওঁ ভাৰসাম্য লাভ কৰিবলৈ বজাৰৰ প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয় সমান হ'ব লাগিব। ওপৰৰ চিত্ৰ (C) ত বজাৰৰ প্ৰান্তিক আয় ৰেখা CMR আৰু প্ৰান্তিক ব্যয় ৰেখা MC য়ে E বিন্দুত কটাকটি কৰিছে। এই বিন্দুত প্ৰতিষ্ঠানটোৱে OM পৰিমাণৰ উৎপাদন কৰিছে। এই OM পৰিমাণখিনি দুয়োখন বজাৰত (বজাৰ—A আৰু B) এনেকৈ ভগাই দিব লাগিব যে প্ৰতিখন বজাৰৰ প্ৰান্তিক আয় ME পৰিমাণৰ হয়। সেই কাৰণে তেওঁ বজাৰ—Aত OM_1 পৰিমাণ আৰু বজাৰ— B ত OM_2 পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰিব। বজাৰ—

Aত প্রান্তিক আয় ME ৰ সমান হৈছে ($M_1E^/$=ME) যেতিয়া OM_1 পৰিমাণ বিক্রী কৰা হয়। ঠিক সেইদৰে, বজাৰ— B প্রান্তিক আয় ME সমান হৈছে ($M_2E^{//}$ = ME) যেতিয়া OM_2 পৰিমাণ বিক্রী কৰা হয়।

যিহেতু বজাৰ—A তকৈ বজাৰ —B ত চাহিদাৰ স্থিতিস্থাপকতা বেছি। গতিকে বজাৰ— B ত সামগ্রী দৰ কম হ'ব আৰু বজাৰ—Aত বেছি হ'ব। বজাৰ—Aত সামগ্রীৰ দৰ OP_1 আৰু বজাৰ—Bত সামগ্রীৰ দৰ OP_2 হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰা—

a) দৰ বিভেদকৰণৰ দ্বাৰা একেটা সামগ্রী বিভিন্ন গ্রাহকৰ মাজত ..... দামত বিক্রী কৰা হয়।

b) দৰ বিভেদকৰণৰ ..... টা স্তৰ আছে।



৭.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- একচেটিয়া বজাৰত এজন ব্যৱসায়ীয়ে কোনো নিকটৱর্তী বিকল্পহীন নথকা এটা সামগ্রী উৎপাদন কৰে।
- একচেটিয়া বজাৰ বৈশিষ্টসমূহ হ'ল—
  - a. এজন বিক্রেতা
  - b. নিকটৱর্তী বিকল্পহীন সামগ্রীৰ উৎপাদন
  - c. প্রবেশ আৰু প্রস্থানহীন বজাৰ
  - d. দীর্ঘকালত মুনাফা
  - e. হ্রস্বকালত লোকচান
  - f. AR আৰু MR হেলনীয়া
- এই বজাৰত ভাৰসাম্য লাভৰ স্বর্ত হ'ল—
  - (i) MC = MR
  - (ii) MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰে।
- দৰ বিভেদকৰণৰ দ্বাৰা একচেটিয়া ব্যৱসায়ীয়ে বিভিন্ন গ্রাহকৰ পৰা একেটা সামগ্রীৰ বাবে বেলেগ বেলেগ দাম বিচাৰে।



৭.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৭.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (a) সত্য, (b) সত্য, (c) অসত্য, (d) অসত্য

২ নং প্ৰশ্নৰ উত্তৰঃ (a) MR, (b) লোকচান

৩ নং প্ৰশ্নৰ উত্তৰঃ (a) বেলেগ, (b) 3 টা



৭.১১ আৰ্হি প্ৰশ্ন

A. অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ঃ একচেটিয়া বজাৰৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ একচেটিয়া ব্যৱসায়ী এজন কেনেকৈ দৰ নিৰ্ধাৰণ কৰে?

প্ৰশ্ন ৩ঃ দৰ বিভেদকৰণ কি?

প্ৰশ্ন ৪ঃ একচেটিয়া ব্যৱসায়ী এজনে কেনেকৈ দীৰ্ঘকালত অস্বাভাৱিক লাভ অৰ্জন কৰে।

প্ৰশ্ন ৫ঃ AR ৰেখাৰ একচেটিয়া বজাৰত আকৃতি কেনেকুৱা?

প্রশ্ন ৬ঃ দৰ বিভেদকৰণৰ তৃতীয় স্তৰ কি।

B. চমু প্রশ্ন

প্রশ্ন ১ঃ একচেটিয়া বজাৰৰ দুটা বৈশিষ্ট লিখা।

প্রশ্ন ২ঃ AR আৰু MR ৰেখা অংকন কৰক।

প্রশ্ন ৩ঃ দৰ বিভেদকৰণৰ স্তৰসমূহ কি কি?

প্রশ্ন ৪ঃ দৰ বিভেদকৰণ কেতিয়া সম্ভৱ হয়?

C. দীঘল প্রশ্ন

প্রশ্ন ১ঃ একচেটিয়া বজাৰ প্রধান বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ 'পূর্ণ প্রতিযোগিতামূলক বজাৰৰ চাহিদা ৰেখা আনুভূমিক আৰু একচেটিয়া বজাৰৰ চাহিদা ৰেখা হেলনীয়া— ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ একচেটিয়া ব্যৱসায়ী এজনে কেনেকৈ হ্রস্বকাল আৰু দীর্ঘকালত সামগ্রীৰ ভাৰসাম্য দৰ আৰু উৎপাদন নির্ধাৰণ কৰে— ব্যাখ্যা কৰক।

*** ***** ***